তাৰিখ ঃ ১২-০৯-২০২৪ ইং

## নির্বাচনী জাননী ২

ইয়াৰ দ্বাৰা দক্ষিণ কামৰূপ ছোৱালী মহাবিদ্যালয়ৰ সমূহ ছাত্ৰীকে জনোৱা হ'ল যে অহা ২৬-১০-২০২৪ ইং তাৰিখ শনিবাৰে ২০২৪-২৫ ইং বৰ্ষৰ বাবে ছাত্ৰী একতা সভাৰ নিৰ্ব্বাচন অনুষ্ঠিত হ'ব । নিৰ্ব্বাচনৰ সূচী এনেধৰণৰ ঃ

১। মনোনয়ন পত্ৰ দিয়া হ'ব ১৬-০৯-২০২৪ ইং তাৰিখৰ পৰা ২৭-০৯-২০২৪ ইং তাৰিখৰ দিনৰ ৪ বজালৈ ।

২। মনোনয়ন পত্ৰ জমা দিয়া শেষ তাৰিখ ৩০-০৯-২০২৪ ইং তাৰিখে আবেলি ২ বজালৈ ।

৩। মনোনয়ন পত্ৰ পৰীক্ষা কৰা হ'ব ০১-১০-২০২৪ ইং তাৰিখে দিনৰ ২.৩০ বজাত ।

৪। মনোনয়ন পত্ৰ উঠাই লোৱা তাৰিখ ০৩-১০-২০২৪ ইং তাৰিখে দিনৰ ১২ বজা পৰ্যন্ত ।

৫। ০৪-১০-২০২৪ ইং তাৰিখৰ পৰা ০৮-১০-২০২৪ ইং তাৰিখলৈ পুনৰ ২২-১০-২০২৪ ইং তাৰিখৰ পৰা ২৫-১০-২০২৪ ইং তাৰিখৰ আবেলি ৪ বজা পৰ্যন্ত নিৰ্ব্বাচনী প্ৰচাৰ কৰিব পাৰিব

৬। ভোট গ্ৰহণ ২৬-১০-২০২৪ ইং তাৰিখৰ ৰাতিপুৱা ৯.০০ বজাৰ পৰা দুপৰীয়া ১২.০০ বজালৈ

৭। ভোট গণনা ২৬-১০-২০২৪ ইং তাৰিখৰ দুপৰীয়া ১.০০ বজাৰ পৰা ।

**নিৰ্বাচন অনুষ্ঠিত হ'ব লগা পদবী সমূহ ঃ**

| ক্ৰমিক নং | পদবীৰ সংখ্যা | পদবীৰ নাম | অৰ্হতা |
|---|---|---|---|
| ১। | ১ | সভানেত্ৰী | স্নাতক তৃতীয় ষান্মাসিক |
| ২। | ১ | উপ-সভানেত্ৰী | স্নাতক তৃতীয় ষান্মাসিক |
| ৩। | ১ | সাধাৰণ সম্পাদিকা | স্নাতক প্ৰথম ষান্মাসিক |
| ৪। | ১ | সহঃসাধাৰণ সম্পাদিকা | স্নাতক প্ৰথম ষান্মাসিক |
| ৫। | ১ | সাহিত্য সম্পাদিকা | স্নাতক প্ৰথম আৰু তৃতীয় ষান্মাসিক |
| ৬। | ১ | তৰ্ক আৰু আলোচনা সম্পাদিকা | স্নাতক প্ৰথম আৰু তৃতীয় ষান্মাসিক |
| ৭। | ১ | সাংস্কৃতিক সম্পাদিকা | স্নাতক প্ৰথম আৰু তৃতীয় ষান্মাসিক |
| ৮। | ১ | খেল সম্পাদিকা | স্নাতক প্ৰথম আৰু তৃতীয় ষান্মাসিক |
| ৯। | ১ | ছাত্ৰী জিৰণি কোঠা সম্পাদিকা | স্নাতক প্ৰথম আৰু তৃতীয় ষান্মাসিক |
| ১০। | ১ | সমাজ সেৱা সম্পাদিকা | স্নাতক প্ৰথম আৰু তৃতীয় ষান্মাসিক |

দ্ৰষ্টব্য ঃ ১। মহাবিদ্যালয়ৰ নিয়মীয়া আৰু সকলো ধৰণৰ মাচুল আদি আদায় থকা ইচ্ছুক ছাত্ৰীয়ে নিম্ন স্বাক্ষৰকাৰীৰ পৰা মনোনয়ন পত্ৰ সংগ্ৰহ কৰিব পাৰিব ।

২। কোনো ছাত্ৰীয়ে ২ বাৰতকৈ অধিক নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব নোৱৰিব।

৩। প্ৰতিখন মনোনয়ন পত্ৰৰ মূল্য ৭০০.০০ ( সাতশ) টকা ।

৪। নিৰ্বাচনত অংশগ্ৰহণ কৰিব বিচৰা প্ৰতিগৰাকী প্ৰাৰ্থীৰ শ্ৰেণী কোঠাত কমেও ৬০ শতাংশ উপস্থিতি থকা হ'ব লাগিব।

৫। নিৰ্বাচনত মহাবিদ্যালয়ৰ পূৰ্বাপৰ নীতি অনুসৰণ কৰা হ'ব । সেয়ে মনোনয়ন পত্ৰৰ মূল্যৰ বাহিৰে কোনো ছাত্ৰীয়ে নিৰ্বাচনৰ নামত কেনো ধৰণৰ টকা-পইচা খৰচ কৰিব নোৱাৰিব । তেনে প্ৰমাণ পালে প্ৰাৰ্থিত্ব নাকচ কৰা হ'ব ।

৬। কোনো ধৰণৰ বেনাৰ, পোষ্টাৰ, দেৱাল লিখন আদি কৰিব নোৱাৰিব । তদুপৰি নিৰ্বাচনৰ প্ৰচাৰৰ বাবে মহাবিদ্যালয়ৰ নিয়মীয়া ছাত্ৰীৰ বাহিৰে আন কাৰো সহায় ল'ব নোৱাৰিব ।

৭। প্ৰতি গৰাকী বৈধ প্ৰাৰ্থীয়ে শ্ৰেণী শিক্ষকৰ অনুমতি লৈ শ্ৰেণী কোঠাত নিজৰ সপক্ষে প্ৰচাৰ চলাব পাৰিব । কিন্তু কাৰো বিপক্ষে ক'ব নোৱাৰিব ।

৮। নিৰ্বাচন সম্পৰ্কত সকলো সিদ্ধান্তৰ ক্ষেত্ৰত নিৰ্বাচনী বিষয়াৰ সিদ্ধান্তই চূড়ান্ত বুলি বিবেচিত হ'ব ।

৯। নিৰ্বাচন সম্পৰ্কত কলেজৰ পৰম্পৰাৰ উপৰিও উচ্চতম ন্যায়ালয়ৰ দ্বাৰা গঠিত লিংডো কমিটিৰ পৰামৰ্শৱলী অনুকৰণ কৰা হ'ব ।

১০। মনোনয়ন পত্ৰত ভুল তথ্য-পাতি, কটা-কটি, চহীৰ অমিল আদি কোনো ধৰণৰ ত্ৰুটি পালে, তেনে মনেনয়ন পত্ৰ নাকচ কৰা হ'ব । এই সন্দৰ্ভত নিৰ্বাচনী বিষয়াৰ সিদ্ধান্তই চূড়ান্ত বুলি গণ্য কৰা হ'ব ।

(ড° ৰঞ্জন ভূএগ্ৰা)
নিৰ্বাচনী বিষয়া
দঃকাঃছোৱালী মহাবিদ্যালয়, মিৰ্জা